**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 26-06-2025 **Time :** 1205Hrs.

## <u>Assamese Midday Bulletin</u>

ৰাজ্যৰ বিভিন্ন প্ৰান্তত আজি আন্তৰ্জাতিক মাদকদ্ৰব্যৰ অপ-ব্যৱহাৰ আৰু অবৈধ সৰবৰাহ বিৰোধী দিৱসৰ লগত সংগতি ৰাখি ভিন ভিন কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। মাদকদ্ৰব্যৰ অপব্যৱহাৰ ক্ৰমান্বয়ে গোলকীয় প্ৰত্যাহ্বানলৈ পৰিণত হৈছে। মাদক দ্ৰব্য মুক্ত এখন সমাজ গঢ়াৰ লক্ষ্যৰে গ্ৰহণ কৰা কাৰ্যব্যৱস্থা অধিক শক্তিশালী কৰাৰ উদ্দেশ্যে এই দিৱস পালন কৰা হয়। এইবছৰৰ এই দিৱসৰ বিষয়বস্তু হৈছে – ‘সংক্ৰমণৰ অৱসান ঃ সকলোৰে বাবে প্ৰতিৰোধ, চিকিৎসা আৰু নিৰাময়’। অসমত শেহতীয়াকৈ বেজী অথবা চিৰিঞ্জেৰে মাদকদ্ৰব্যৰ আদান-প্ৰদানৰ ফলত এইচ আই ভি সংক্ৰমণ বৃদ্ধি পোৱা বুলি স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগে প্ৰকাশ কৰিছে। ৰাজ্যৰ ৯ খন জিলা চিকিৎসালয়কে ধৰি গুৱাহাটী কেন্দ্ৰীয় কাৰাগাৰত এইচ আই ভিৰ পৰীক্ষাৰ ব্যৱস্থা আছে।

oooooo

গুৱাহাটীৰ নীলাচল পাহাৰত অৱস্থিত শক্তিপীঠ কামাখ্যা মন্দিৰত অম্বুবাচী মহাযোগৰ আজি পুৱা সামৰণি পৰে। পুৱা ৩ বাজি ২৭ মিনিটত অম্বুবাচীৰ নিবৃত্তিৰ পাছত দেৱীস্নান তথা নিত্য পূজাৰ অন্তত মন্দিৰৰ মূল দুৱাৰ ভক্তৰ বাবে পুনৰ মুকলি কৰা হয়। আজি আৰু কাইলৈ মন্দিৰ দৰ্শনৰ বাবে কোনো ধৰণৰ ভি আই পি পাছ অথবা বিশেষ টিকটৰ ব্যৱস্থা নাথাকে। সাধাৰণ ভক্তৰ দৰ্শনৰ সুবিধাৰ প্ৰতি লক্ষ্য ৰাখি প্ৰশাসন আৰু মন্দিৰ কৰ্তৃপক্ষই এই ব্যৱস্থা গ্ৰহণ কৰিছে।

oooooo

দেশৰ মহাকাশ বিজ্ঞানৰ ইতিহাসত নতুন অধ্যায়ৰ সংযোজন ঘটাই ভাৰতীয় বায়ুসেনাৰ গ্ৰুপ কেপ্তেইন শুভাংশু শুক্লাই কালি মহাকাশ অভিমুখে ৰাওনা হয়। আমেৰিকাৰ ফ্ল’ৰিডাত থকা মাৰ্কিন মহাকাশ গৱেষণা সংস্থা- নাছাৰ কেনেডি মহাকাশ কেন্দ্ৰৰ লঞ্চ কমপ্লেক্স ৩৯-এৰ পৰা স্পেচ এক্স ক্ৰু ড্ৰেগন মহাকাশ যানত উঠি ফেলকন নাইন ৰকেটৰ সহায়ত কালি শুভাংশু শুক্লা আন তিনিগৰাকী মহাকাশচাৰীৰ সৈতে উৰা মাৰিছিল। সম্প্ৰতি ভাৰতীয় মহাকাশচাৰীজনক কঢ়িয়াই নিয়া মহাকাশ যানখনে ২৮ ঘণ্টীয়া মহাকাশ ভ্ৰমণৰ অন্তত আজি বিয়লি চাৰে ৪ বজাত আন্তঃৰাষ্ট্ৰীয় মহাকাশ আস্থান পাবগৈ। মহাকাশযানখনে গন্তব্যস্থান পোৱাৰ পাছতে আন্তঃৰাষ্ট্ৰীয় মহাকাশ আস্থানত পদাৰ্পণ কৰা প্ৰথম ভাৰতীয় হিচাপে শুভাংশু শুক্লাই গৌৰৱ অৰ্জন কৰিব। AXIOM-4 মহাকাশ অভিযানৰ অধীনত মহাকাশলৈ ৰাওনা হোৱা গ্ৰুপ কেপ্তেইন শুভাংশু শুক্লাৰ সৈতে আন তিনিগৰাকী মহাকাশচাৰীয়েও যাত্ৰা কৰিছে। তেওঁলোক হৈছে আমেৰিকাৰ মহাকাশচাৰী তথা AXIOM-4 অভিযানৰ কামাণ্ডৰ পেইগি হুইটছন, পোলেণ্ডৰ স্লাৱ’জ উজনানস্কি ৰিচনিউস্কি আৰু হাঙ্গেৰী টিব’ৰ কাপু। এই চাৰিওগৰাকী মহাকাশচাৰীয়ে মহাকাশ আস্থানত ১৪ দিনত অতিবাহিত কৰিব। এই সময়ছোৱাত তেওঁলোকে ৬০টাকৈ বৈজ্ঞানিক পৰীক্ষা সম্পন্ন কৰিব। মহাকাশ আস্থানৰ পৰা শুভাংশু শুক্লাই প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সৈতে বাৰ্তালাপো কৰিব। ইপিনে স্পেচএক্সৰ ড্ৰেগন মহাকাশযানেৰে আন্তঃৰাষ্ট্ৰীয় মহাকাশ আস্থানৰ দিশে যাত্ৰা কৰাৰ সময়তে শুভাংশু শুক্লাই পৃথিৱীলৈ তেওঁৰ প্ৰথমটো বাৰ্তা

প্ৰেৰণ কৰিছে। ৪১ বছৰ পাছত কোনো এগৰাকী ভাৰতীয় মহাকাশচাৰী পুনৰ মহাকাশলৈ যোৱা আৰু প্ৰতি ছেকেণ্ডত ৭ দশমিক ৫ কিলোমিটাৰ বেগেৰে পৃথিৱীৰ চাৰিওফালে প্ৰদক্ষিণ কৰি থকা বুলি প্ৰকাশ কৰিছে। এই যাত্ৰা আন্তঃৰাষ্ট্ৰীয় মহাকাশ কেন্দ্ৰৰ বাবেই  নহয়, বৰং ভাৰতৰ মানৱ মহাকাশ কাৰ্যসূচীৰ বাবেও আৰম্ভণি বুলি শ্ৰীশুক্লাই মন্তব্য কৰে। উল্লেখযোগ্য যে শুভাংশু শুক্লা ভাৰতৰ ঐতিহাসিক গগনযান অভিযানৰো সদস্য আছিল।

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু মহাকাশ দপ্তৰৰ ৰাজ্যমন্ত্ৰী ড০ জিতেন্দ্ৰ সিঙে এই অভিযানৰ বাবে শুভাংশু শুক্লাক অভিনন্দন জ্ঞাপন কৰিছে।

০০০০০০০

৩৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ যোৰহাট বাইপাছত কালি সন্ধিয়া সংঘটিত এটা পথ দুৰ্ঘটনাত এজন লোক নিহত হোৱাৰ উপৰি তিনিজন গুৰুতৰভাৱে আহত হয়। তীব্ৰ বেগত অহা এখন স্কুটী আৰু মটৰচাইকেলে মুখামুখাকৈ খুন্দা মৰাত স্কুটীৰ চালকজন থিতাতে নিহত হয়। নিহত লোকজন বিহাৰৰ মটিহাৰিৰ সূৰজ কুমাৰ বুলি চিনাক্ত কৰা হৈছে। আহত কেইজনক ততালিকে যোৰহাট চিকিৎসা মহাবিদ্যালয় হাস্পতালত ভৰ্তি কৰোৱা হয়। যোৰহাট বাইপাছত বিগত এমাহত কেইবাটাও পথ দুৰ্ঘটনা সংঘটিত হোৱাৰ পৰিপ্ৰেক্ষিতত জনসাধাৰণে এইক্ষেত্ৰত ব্যৱস্থা গ্ৰহণ কৰিবলৈ প্ৰশাসনৰ প্ৰতি আহ্বান জনাইছে।

০০০০০০০

ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ হীৰক জয়ন্তী বৰ্ষ পৰিপ্ৰেক্ষিতত কালি বিশ্ববিদ্যালয়ৰ ইন্দিৰা মিৰি প্ৰেক্ষাগৃহত **ভৱিষ্যতৰ ভাৰতৰ বাবে ভূগৰ্ভস্থ জল নিৰাপত্তা** শীৰ্ষক এটা বক্তৃতানুষ্ঠান অনুষ্ঠিত হৈ যায়। প্ৰায়োগিক ভূতত্ব বিজ্ঞান বিভাগৰ উদ্যোগত আয়োজন কৰা এই অনুষ্ঠানত দেশৰ আগশাৰীৰ ভূতত্ববিদ অধ্যাপক অভিজিৎ মুখাৰ্জীয়ে বক্তৃতা প্ৰদান কৰে। অনুষ্ঠানত প্ৰায়োগিক ভূতত্ব বিভাগৰ অধ্যাপক তাপস কুমাৰ গোস্বামী, ভূবিজ্ঞান আৰু বান্ধি শক্তি অনুষদৰ গুৰু অধ্যাপিকা সুব্ৰতা বৰগোঁহাই গগৈও উপস্থিত থাকে।

০০০০০০০

পশ্চিম কাৰ্বি আংলং জিলাৰ হামৰেণত থকা আৰৰ্ত ভৱনত কালি কাৰ্বি ছাত্ৰ সন্থা আৰু আৰক্ষী মহাপৰিদৰ্শকৰ এখন গুৰুত্বপূৰ্ণ বৈঠকত অনুষ্ঠিত হৈ যায়। অসম-মেঘালয় সীমান্তৰ সংঘাতক কেন্দ্ৰ কৰি অনুষ্ঠিত বৈঠকত দুয়োখন ৰাজ্যৰ সীমান্তৱৰ্তী অঞ্চলত শান্তি-সম্প্ৰীতি কেনেদৰে অটুট ৰাখিব পৰা যায় সেই সন্দৰ্ভত গুৰুত্বপূৰ্ণ আলোচনা কৰা হয়। বৈঠকত পশ্চিম কাৰ্বি আংলং জিলাৰ আৰক্ষী অধীক্ষকৰ লগতে অতিৰিক্ত আৰক্ষী অধীক্ষকো উপস্থিত থাকে।

০০০০০০

**সমাপ্ত**